

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ২

পৃথিৱীৰ অভ্যন্তৰ ভাগ

অংশ – ৬ (প্রশ্ন- উত্তৰ)

জ্যোতি দাস

(ঘ) “মাটি অবিহনে গছ-গছনি, জীৱ-জন্তু জীয়াই থাকিব নোৱাৰে”- কথাষাৰ বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ- মাটি অবিহনে গছ-গছনি, জীৱ-জন্তু জীয়াই থকা অসম্ভৱ। মাটিৰ লগত জীৱ-জগতৰ এক ওতঃপ্রোত সম্পর্ক আছে। মানুহৰ জীৱন-ধাৰণৰ বাবে খাদ্য, দ্রব্য, বাসস্থান যাতায়ত ব্যৱস্থা আদি মাটিৰ ওপৰতেই নির্ভৰশীল। গছ-গছনিও মাটিৰ ওপৰতেই সৃষ্টি হয়। মাটিৰ অংশ হিচাপে পর্বত-পাহাৰ, মালভূমি-সমভূমি আদিত জীৱজগতৰ আবাসস্থলী যদিও জলমণ্ডলতো

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জীৱজগতৰ প্ৰসাৰতা আছে। মাটিত হিউমাছ থাকে। মাটিত থকা এনে জৈৱিক পদাৰ্থসমূহে উদ্ভিদক পুষ্টি যোগান ধৰে। মাটিত থকা পানীভাগে গছ-গছনিৰ বৰ্ধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।



(ঙ) “মাটি গঠনত জলবায়ুৰ প্ৰভাৱ অপৰিহাৰ্য”- কথাষাৰ বুজাই লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মাটি গঠনত জলবায়ুৰ প্ৰভাৱ অপৰিহাৰ্য। আমি জানো যে মাটি শিলৰ পৰাই সৃষ্টি হৈছে। আনহাতে শিল সৃষ্টি হয় মণিকৰ পৰা। মণিকবোৰ খুবেই কঠিন বাবে শিলবোৰো যথেষ্ট কঠিন হয়। এই কঠিন শিলক মাটিত পৰিণত কৰাত জলবায়ুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আনহাতে শিলবিলাক সময়ৰ সেঁতত শীত , তাপ, বতাহ, ৰ'দ, বৰষুণ আদি প্ৰাকৃতিক কাৰকৰ প্ৰভাৱত জহি-খহি, চূৰ্ণ-বিচুৰ্ণ হয়। এনে জহি-খহি চূৰ্ণ-বিচূৰ্ণ হোৱা শিলৰ টুকুৰাবোৰ পুনৰ বতাহ, নদী, হিমবাহ আদিয়ে কাঢ়ি নি বিভিন্ন ঠাইত জমা কৰে। এনেদৰে মাটিৰ সৃষ্টি হয়।

(চ) ভূত্বকত পোৱা শিল, মণিক আৰু মাটিৰ মাজত সম্পর্ক বিচাৰ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- ভূত্বকত পোৱা বিভিন্ন ধৰণৰ শিল, মণিক আৰু মাটিৰ গুণাগুণে জীৱজগতৰ বিশেষভাৱে প্রভাৱান্বিত কৰি আহিছে। শিল মাটি আৰু মণিক আদি ভূত্বকতেই অৱস্থিত। ভূত্বক স্তৰটো সাধাৰণতে গ্রেনাইট জাতীয় শিলেৰে গঠিত। আনহাতে ভূত্বকৰ সমুদ্র তলিৰ অংশটো মূলত বেল্ট জাতীয় শিলেৰে গঠিত। ভূত্বকত পোৱা শিলসমূহো মণিকৰ দ্বাৰা গঠিত। কিছুমান শিলত মণিক কেবাবিধো থাকে আৰু আন কিছুমান শিলত এবিধ বা দুবিধ মানহে মণিক থাকে। শিলত থকা মণিকৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি শিলৰ আকাৰ-আকৃতি, ৰং,

কঠিনতা আদিৰ তাৰতম্য হয়। সকলো মণিকে শিল গঠন নকৰে। কিছুমান মণিকেহে শিল গঠন কৰে। শিল গঠনকাৰী মণিকসমূহে শিল গঠনত সহায় কৰে। ভূত্বকত পোৱা কোৱার্টজ, ছিলিকেট, কার্বনেট অক্সাইড আৰু ফেল্ডস্পাৰ আদি মণিকে শিল গঠন কৰে। ভূত্বকত পোৱা আবৃত মণিকসমূহ মাটিৰ পাতল তৰপ অথবা পলসুৱা মাটিৰ তলত থাকে। আনহাতে ভূত্বকত পোৱা মাটিও শিলৰ দ্বাৰাই গঠিত। প্ৰাকৃতিক কাৰকৰ প্ৰভাৱত শিল চূৰ্ণবিচূৰ্ণ হৈ মাটিত পৰিণত হয়। শিলৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পৰাই মাটি হয় বাবে শিলত থকা মণিকবিলাক মাটিতে পোৱা যায়। গতিকে দেখা যায় যে ভূত্বকত পোৱা শিল, মাটি আৰু মণিকৰ মাজত এক বিশেষ সম্পর্ক আছে।



৪। তলৰ তালিকাত বিভিন্ন ধৰণৰ শিলৰ নাম দিয়া আছে। সেইবোৰ তালিকাত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰা — মাৰ্বল, শ্লেট, বালিশিল, গ্ৰেণাইট, কয়লা, চুণশিল, চকমাটি, নিছ, কংলোমাৰেট, বোকাশিল, চিষ্ট, কোৱাৰ্টযাইট, বেছল্ট, গ্ৰেব্ৰ'।

আগ্নেয় শিল	বেছল্ট, গ্ৰেব্ৰ', গ্ৰেণাইট।
গেদীয় শিল	বালিশিল, কয়লা, চূণশিল, চকমাটি, কংলোমাৰেট, বোকাশিল।
ৰূপান্তৰিত শিল	মাৰ্বল, শ্লেট, নিছ, চিষ্ট, কোৱাৰ্টযাইট।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। দলত আলোচনা কৰি লিখা —

(ক) মাটিৰ লগত উদ্ভিদ আৰু প্ৰাণীজগতৰ সম্বন্ধ কি?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ- মাটিৰ লগত জীৱ-জগতৰ এক ওতঃপ্রোত সম্পর্ক আছে। মাটি অবিহনে উদ্ভিদ আৰু প্রাণী বর্তি থকা সম্ভৱ নহয়। সকলো প্রকাৰৰ প্রাণী আৰু উদ্ভিদৰ আবাসস্থলী হ'ল মাটি। আমাৰ জীৱন যাত্রা, আচাৰ-ব্যৱহাৰ, খেতি-বাতি, অনুষ্ঠান-প্রতিষ্ঠান, যাতায়াত, উদ্যোগ আদি সকলোবোৰ মাটিৰ ওপৰতে নির্ভৰশীল। মাটিৰ অংশ হিচাপে পর্বত-পাহাৰ, মালভূমি-সমভূমি আদিত জীৱজগতৰ আবাসস্থলী যদিও জলমণ্ডলতো জীৱজগতৰ প্রসাৰতা আছে। মাটিত থকা হিউমাছ জাতীয় জৈৱিক উপাদানে উদ্ভিদক পুষ্টিৰ যোগান ধৰে।

আনহাতে মানৱ-সভ্যতাও মাটিৰ ওপৰতে গঢ়ি উঠিছে। তেনেকৈ মৰু প্ৰধান আৰু শীত প্ৰধান অঞ্চলতো কম বেছি পৰিমাণে জীৱ-জগত বিদ্যমান।



(খ) যদিহে পৃথিৱীৰ উপৰিভাগৰপৰা সাৰুৱা মাটি নোহোৱা হৈ যায়, তেতিয়া কি হ'ব?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- বিশেষকৈ উদ্ভিদৰ কাৰণে সাৰুৱা মাটিৰ প্ৰয়োজন। সাৰুৱা মাটিত শস্যৰ উৎপাদন ভাল হয়। সাৰুৱা মাটিতহে উদ্ভিদৰ প্ৰয়োজনীয় দ্ৰব্যসমূহ থাকে। সাৰুৱা মাটি নোহোৱাহ'লে গছ – গছনি জীয়াই থকা অসম্ভৱ হ'ব। সাৰুৱা মাটি কৃষিকাৰ্যৰ বাবে উপযোগী। ফলত মানুহে খাদ্যসামগ্ৰীৰ অভাৱত পৰিব। দুৰ্ভিক্ষই দেখা দিব পাৰে। সাৰুৱা মাটি নোহোৱা হ'লে গছ-গছনি মৰি যাব পাৰে। গছ গছনি বা শস্য আদি অবিহনে তৃণভোজী প্ৰাণী বৰ্তি থাকিব নোৱাৰিব। সেই তৃণভোজী প্ৰাণী ভক্ষণ কৰি জীয়াই থকা আন জীৱৰো দুৰ্দশা হ'ব।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

গতিকে দেখা যায় যে সাৰুৱা মাটিৰ অভাৱে জীৱজগতত এক বিৰূপ প্ৰভাৱ পেলাব।

